**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2024
**Time :** 0845 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। রেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে উত্তৰ পূৰ্বাঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত। অসম, মেঘালয়, মিজোৰাম আদি কেইবাখনো ৰাজ্যত বহু লোকৰ প্ৰাণহানিৰ লগতে কেইবাজনো আহত।

২। মুখ্য সচিব ড০ ৰবি কোটাৰ অধ্যক্ষতাত অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ পৰ্যালোচনা বৈঠক।

৩। প্ৰতিকূল বতৰৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষা বাতিল। ৰাজ্যৰ কেইবাখনো জিলাৰ শিক্ষানুষ্ঠান আজিও বন্ধ ৰখাৰ নিৰ্দেশ জিলা প্ৰশাসনৰ।

৪। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি। এই পৰ্যায়ত ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ।

*আৰু*

৫। ৰাষ্ট্ৰীয় ৰাইফল সংঘৰ জাৰ্মানীৰ মিউনিখত হ'বলগীয়া আই এছ এছ এফ বিশ্বকাপৰ বাবে ২৩জনীয়া ৰাইফল আৰু পিষ্টিল দল ঘোষণা।

০০০০০০০

রেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে উত্তৰ পূৰ্বাঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। ইয়াৰ ফলত অঞ্চলটোৰ ভালেমান এলেকা প্ৰভাৱিত হৈছে। ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ঘটনাত অসমত চাৰিজন, মিজোৰামত ২৮জন আৰু মেঘালয়ত এজন লোকে প্ৰাণ হেৰুৱাইছে। ধাৰাসাৰ বৰষুণৰ সৈতে অহা প্ৰৱল বতাহৰ ফলত ভালেমান অঞ্চলত গছ, বিদ্যুতৰ খুঁটা উভালি পৰিছে আৰু বিদ্যুৎ তথা ইণ্টাৰনেট সেৱা ব্যাহত হৈছে। বৰষুণৰ বাবে ঠাইবিশেষে ভূমিস্খলন হোৱা বুলিও জানিব পৰা গৈছে। অসমত কালি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে। মৰিগাঁও জিলাৰ ধূপগুৰিত এজন ছাত্ৰৰ গাত গছ বাগৰি পৰাৰ ফলত ছাত্ৰজন মৃত্যুমুখত পৰে। আনহাতে, কামৰূপ জিলাত এজন আৰু কামৰূপ মহানগৰত আন এজন লোকৰ ধুমুহাৰ ফলত মৃত্যু হয়। ইফালে, গেৰুকামুখত এন এইচ পি চি প্ৰকল্পৰ কৰ্মী এগৰাকীৰ ভূমি স্খলনৰ ফলত মৃত্যু হৈছে।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত এখন স্কুলীয়া বাছৰ ওপৰত গছ ভাগি পৰা ফলত ১২গৰাকী শিক্ষাৰ্থী আহত হয়। ইফালে, মৰিগাঁও জিলাৰ কেইবাটাও পৃথক ঘটনাত পাঁচজন লোক আহত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধুমুহা বৰষুণৰ ফলত একাধিক লোকৰ প্ৰাণ নাশৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কালি মুখ্য সচিবক প্ৰভাৱিত পৰিয়ালসমূহক সাহায্য আৰু আহতসকলক সময়মতে চিকিৎসা প্ৰদানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি কালি ধুমুহাৰ ফলত বঙাইগাঁও, চিৰাং, দৰং, ধুবুৰী, হোজাই, কামৰূপ, কামৰূপ মহানগৰ, কাৰ্বি আংলং, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, দক্ষিণ শালমৰা আৰু পশ্চিম কাৰ্বি আংলং জিলা প্ৰভাৱিত হয়।

ইফালে, মিজোৰামত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলনত কমেও দুগৰাকী নাবালকসহ ২৮গৰাকী লোকৰ মৃত্যু হৈছে। আইজলৰ দক্ষিণ দিশৰ সীমামূৰীয়া মেলথুম অঞ্চলৰ এটা শিলৰ কুৰেৰিৰ বাহিৰত হোৱা এই ভূমিস্খলনৰ ফলত সন্ধানহীন হৈ থকা ৮জন লোকক এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা হোৱা নাই। বৰ্তমান উদ্ধাৰ অভিযান অব্যাহত আছে যদিও বৰষুণৰ বাবে উদ্ধাৰ কাৰ্যত সমস্যাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কালি পুৱা এই ঘটনাটো সংঘটিত হয়। আনহাতে, হুন্থাৰ এলেকাৰ ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ভূমিস্খলনৰ ফলত আইজলৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। তদুপৰি ৰাজ্যৰ আন কেইবাটাও ঘাইপথত ভূমিস্খলন সংঘটিত হৈছে। ৰাজ্যখনৰ প্ৰশাসনে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু সম্ভাব্য সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। মিজোৰামৰ সকলো শিক্ষানুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় কালি প্ৰতিকূল বতৰৰ বাবে বন্ধ ৰখা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মিজোৰামত হোৱা এই ভূমিস্খলনত বহু লোকৰ প্ৰাণ হেৰুওৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

একেদৰে, মেঘালয়ৰ পূব জয়ন্তীয়া পাৰ্বত্য জিলাত কালি এখন দেৱাল খহি পৰাৰ ফলত এজন লোকে প্ৰাণ হেৰুৱায়। জিলাখনত ভূমিস্খলনৰ ঘটনাত অন্য চাৰিজন লোক আহত হয়। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

নাগালেণ্ডত ৰেমল ঘূৰ্ণী বতাহ আৰু বৰষুণৰ বাবে বিভিন্ন ঠাই ক্ষতিগ্ৰস্ত হোৱা বুলি জানিব পৰা গৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি মোককচাঙৰ সমীপত চুচুয়িমলাং গাঁৱত ৯টা পৰিয়াল আৰু নক্সেন মহকুমাত ৩৬টা পৰিয়াল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰি ঝুনেব'ট' জিলাত এটা ঘৰ সম্পূৰ্ণ ৰূপে ধংস হৈছে।

মণিপুৰতো ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অংশ ক্ষতিগ্ৰস্ত হৈছে আৰু ৰাজ্যখনৰ মাজেৰে বৈ যোৱা বহুতো নৈ বিপদসীমাৰ ওপৰেদি বৈ আছে। ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ কাৰণে ৰাজ্যখনৰ বহু অংশত যোগাযোগ ব্যাহত হৈছে। ইম্ফল-জিৰিবাম পথৰ ইৰাং নৈৰ ওপৰত ন'নে জিলাত নিৰ্মাণ কৰা বেইলী দলংখন খহি পৰিছে।

০০০০০০০

ৰাজ্যত ৰেমলৰ প্ৰভাৱ সম্পৰ্কত কালি দিছপুৰত অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত ৰেমলৰ  ফলত হোৱা ক্ষয়-ক্ষতিৰ সন্দৰ্ভত আলোচনা কৰা হয়। পৰ্যালোচনা বৈঠকত প্ৰতিখন জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে ভিডিঅ' কনফাৰেন্স যোগে সংশ্লিষ্ট জিলাৰ পৰিস্থিতি সন্দৰ্ভত মুখ্য সচিবক অৱগত কৰে। এই বৈঠকত মুখ্য সচিব ড০ কোটাই জিলা আয়ুক্তসকলৰ পৰা ধুমুহা আৰু বৰষুণৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। ইয়াৰ লগতে সাহায্য, পুনৰ সংস্থাপন, আহতসকলক চিকিৎসা প্ৰদান আৰু সতৰ্কতামূলক ব্যৱস্থা সন্দৰ্ভত সংশ্লিষ্ট জিলা আয়ুক্তক দৃষ্টি ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে। পৰ্যালোচনা বৈঠকত মুখ্য সচিব গৰাকীয়ে ৰাজ্যৰ সকলো জিলাত দুপৰীয়া ১২ বজা পৰ্যন্ত ফেৰী সেৱা বন্ধৰ নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ লগতে মুখ্য সচিবগৰাকীয়ে ৰাষ্ট্ৰীয় পথ প্ৰাধীকৰণৰ প্ৰতিনিধিবৰ্গক ধুমুহাৰ বিধবস্ত বাট-পথ মেৰামতিৰ নিৰ্দেশ প্ৰদান কৰিছে। মুখ্য সচিবগৰাকীয়ে জিলা আয়ুক্তসকলক ব্যাহত বিদ্যুৎ যোগান ব্যৱস্থা উন্নত কৰাৰ নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত ৰাজ্যিক প্ৰশাসনৰ কেইবাগৰাকী শীৰ্ষ বিষয়াৰ লগতে ৰে'ল বিভাগ, ৰাষ্ট্ৰীয় পথ প্ৰাধীকৰণ, বি এছ এন এল, নিপক', এ পি ডি চি এল আদি প্ৰতিষ্ঠানৰ মুৰববীয়ে অংশ লয়।

০০০০০০০

ৰেমল ঘূৰ্ণী সৃষ্ট প্ৰতিকূল বতৰৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাসমূহ বাতিল কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰকে প্ৰকাশ কৰা অনুসৰি স্নাতক আৰু স্নাকতোত্তৰ পৰ্যায়ৰ তৃতীয় সান্মাষিকৰ আজি অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা বাতিল কৰা হৈছে। অৱশ্যে

আন পৰীক্ষাসমূহ পূৰ্বৰ সময়সূচী অনুসৰি অৱনুষ্ঠিত হ'ব বুলি পৰীক্ষা নিয়ন্ত্ৰকে জানিবলৈ দিয়ে। প্ৰতিকূল বতৰৰ বাবে কটন বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আজি অনুষ্ঠিত হ'বলগীয়া ষষ্ঠ সান্মাষিকৰ পৰীক্ষা বাতিল কৰিছে। এই পৰীক্ষা অহা ৫ জুনত অনুষ্ঠিত হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০০০

ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ কেইবাখনো জিলাত বৰষুণ হৈ আছে আৰু এই জিলাকেইখনত সতৰ্কতা জাৰি কৰা হৈছে। **চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা-হাচাও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমাৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলং** জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে। ইপিনে বিভিন্ন জিলা প্ৰশাসনে প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজিও শিক্ষানুষ্ঠান বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত গোলাঘাট জিলাৰ সকলো শিক্ষানুষ্ঠান বন্ধ ৰখাৰ বাবে জিলা আয়ুক্তই নিৰ্দেশ জাৰি কৰে। যোৰহাট জিলাত ৰেমল ঘূৰ্ণিবতাহৰ সম্ভাব্য প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ স্বাৰ্থত জিলাখনৰ আয়ুক্তই কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি নদীসমূহত নাও, ফেৰী আদিৰ চলাচল নিষিদ্ধ কৰা হৈছে। কেৱল অত্যাৱশ্যকীয় বা উদ্ধাৰজনিত কাৰ্যৰ বাবেহে নাও বা ফেৰী চলাচল কৰিব পৰা যাব। আজি আৰু কাইলৈ নৈসমূহত মাছ ধৰা কাৰ্য বন্ধ কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। তদুপৰি আজি জিলাখনৰ শিক্ষানুষ্ঠান আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহ বন্ধ ৰাখিবলৈও নিৰ্দেশ জাৰি কৰা হৈছে। ইপিনে, জিলা কৃষি বিষয়াই আজি কৃষকসকলক গো ধনসমূহ চৰণীয়া পথাৰলৈ নিনিবলৈ নিৰ্দেশ দিছে। মাজুলী জিলাত ধুমুহা বৰষুণৰ ফলত মাজুলী বৈদ্যুতিক উপ সংমণ্ডলৰ অধীনৰ বহু অঞ্চলত বৈদ্যুতিক আন্তঃগাঠনিৰ বিস্তৰ ক্ষতি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভালেমান অঞ্চলত বিদ্যুৎ যোগান বিচ্ছিন্ন হৈ থাকিব বুলি প্ৰকাশ কৰা হৈছে। তদুপৰি বিদ্যুৎ বিভাগৰ তৰফৰ পৰা ধুমুহাত চিগি থকা বিদ্যুতৰ তাঁৰ স্পৰ্শ নকৰিবলৈ আৰু ওচৰেৰে নাযাবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে জিলাখনত কেইবাটাও নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ মুকলি কৰা হৈছে। তিনিচুকীয়া জিলা প্ৰশাসনে গুইজান ঘাট আৰু শদিয়াৰ অমৰপুৰ দিবাং ঘাটত দুদিনৰ বাবে নাও চলাচল বন্ধ ঘোষণা কৰিছে। পশ্চিম কাৰ্বি আংলঙৰ ডংকামকাম ৰাজহ চক্ৰৰ কেইবাটাও অঞ্চল ধাৰাষাৰ বৰষুণত প্লাবিত হৈছে বুলি জানিব পৰা গৈছে।

ডিমা হাচাও জিলাৰ হাফলঙত ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলন আৰু বানে স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত কৰিছে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জিলাখনৰ সকলো শিক্ষানুষ্ঠান আজিও বন্ধ ৰখাৰ নিৰ্দেশ দিছে। তদুপৰি জনসাধাৰণক বিশেষ প্ৰয়োজন নহ'লে ঘৰতে থকাৰ লগতে সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। ইয়াৰ লগতে লোকনিৰ্মাণ, কৃষি, এ পি ডি চি এল, জলসিঞ্চন, ভূমি সংৰক্ষণ, পশুপালন আৰু পশু চিকিৎসা বিভাগকে ধৰি সংশ্লিষ্ট বিভাগসমূহলৈও উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। ইপিনে, জাতিংগা-হাৰাংগাজাও সংযোগী পথেৰে অহা ১ জুন পৰ্যন্ত গধুৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। জিলাখনত ভূমি স্খলনৰ ফলত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হৈছে।

কাছাৰ জিলাত প্ৰতিকূল বতৰৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। শিলচৰৰ বিভিন্ন অঞ্চলত আবদ্ধ পানীয়ে বানৰ সৃষ্টি কৰিছে। আনহাতে, আজি জিলাখনৰ শিক্ষা প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাৰ বাবে নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি সন্ধিয়া কলকাতাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰ আৰু বিধানসভাৰ বিৰোধী পক্ষৰ নেতা সুভেন্দু অধিকাৰীয়ে কলকাতাত মোডীৰ এই প্ৰথমটো ৰোড শ্ব'ত প্ৰধানমন্ত্ৰীক সংগ দিয়ে। ইয়াৰ পূৰ্বে শ্ৰীমোডীয়ে উত্তৰ চবিবচ পৰগনা জিলাৰ বাৰাছাত লোকসভা সমষ্টিৰ অধীনৰ অশোক নগৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। পাছত তেওঁ বাৰুইপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

ঝাৰখণ্ডতো নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, জে এম এম, কংগ্ৰেছ, আৰ জে ডি, এ জে এছ ইউ আৰু বাও দলকে ধৰি বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ইখনৰ পিছত সিখনকৈ কেইবাটাও সমাবেশ আৰু ৰোড শ্ব'ত অংশ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি ডুংকা আৰু গোদ্দাত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী সভাত ভাষণ দিব আৰু ৰোড শ্ব'ত অংশ ল'ব। একেদৰে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও আজি ডুংকাত নিৰ্বাচনী সভাত অংশ ল'ব। ইপিনে, জে এম এমৰ নেত্ৰী কল্পনা চোৰেণে কালি শ্বাহিবগঞ্জত এটা নিৰ্বাচনী সমাবেশত ভাষণ দি তেওঁৰ স্বামী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণক ষড়যন্ত্ৰৰ বাবেই কাৰাগাৰলৈ প্ৰেৰণ কৰা বুলি মন্তব্য কৰে। আনহাতে, ঝাৰখণ্ড কংগ্ৰেছৰ মুৰববী ৰাজেশ ঠাকুৰে বিধি বলবৎকাৰী সঞ্চালকালয়ে নিৰ্বাচন প্ৰভাৱিত কৰাৰ বাবে কাম কৰি থকা বুলি অভিযোগ তোলে।

বিহাৰতো সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। এন ডি এ, মহামিত্ৰজোঁট আৰু অন্য ৰাজনৈতিক দলৰ নেতাসকলে  ৰাজ্যখনত ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি পাটনা চাহিব আৰু আৰা সমষ্টিত তিনিখন নিৰ্বাচনী সভাত ভাগ লয়। ইপিনে, জে ডি ইউৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কালি নালান্দা সংসদীয় সমষ্টিত একাধিক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আনহাতে, আৰ জে ডিৰ মুৰববী লালু প্ৰসাদ যাদৱে কালি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ বিভিন্ন অংশত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱেও কালি বক্সাৰ সংসদীয় সমষ্টিত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ লগতে চাচাৰাম, জেহানাবাদ আৰু পাতলিপুত্ৰ সমষ্টিত আৰ জে ডি আৰু কংগ্ৰেছৰ সমৰ্থনত প্ৰচাৰ চলায়।

০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতিত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় ৰাইফল সংঘই জাৰ্মানীৰ মিউনিখত হ'বলগীয়া আই এছ এছ এফ বিশ্বকাপৰ বাবে ২৩জনীয়া ৰাইফল আৰু পিষ্টল দল ঘোষণা কৰিছে। চৰবজোৎ সিং, মনু ভাকাৰ, ৰিডম চাংৱান, ইশা সিং, ৰুদ্ৰাক্ষ পাটিল, অনীশ আৰু মেহুলী ঘোষৰ দৰে দেশৰ আগশাৰীৰ খেলুৱৈসকলক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতে এই প্ৰতিযোগিতাৰ ১০টা অলিম্পিক শিতানৰ আটাইকেইটাতে অংশগ্ৰহণ কৰিব। দলত অন্তৰ্ভুক্ত অন্য খেলুৱৈসকলৰ ভিতৰত ঐশ্বৰ্য প্ৰতাপ সিং টোমৰ, স্বপনীল কুশালে, অখিল ছ্যোৰাণ, চিফ্ট কৌৰ শৰ্মা, অঞ্জুম মোডগিল, বিজয়বীৰ সিদ্ধু আৰু ভাৱেশ শ্বেখাৱাট আছে।

০০০০০০০

সামুদ্ৰিক ঘূৰ্ণি বতাহ ৰেমলৰ সংহাৰত ৰাজ্যৰ জনজীৱন অভাৱনীয় ৰূপত বিপৰ্যস্ত হৈ পৰিছে। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ৰেমলৰ ৰুদ্ৰমূৰ্তি, তিনিজনৰ প্ৰাণহানি শীৰ্ষক শিৰোনামেৰে দৈনিক অসম কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সমগ্ৰ ৰাজ্যজুৰি ৰেমলৰ ধ্বংসলীলা শীৰ্ষক শিৰোনামেৰে একেটা বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰকৃতিৰ ৰুদ্ৰৰূপ, ৰেমলৰ বিভিষীকা শীৰ্ষক শিৰোনামেৰে একেটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। এই বাতৰিটো ধুমুহাত চাৰিজনৰ মৃত্যু, সম্পত্তিৰ বিস্তৰ ক্ষতি শীৰ্ষক শিৰোনামেৰে দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মিজোৰামতো সামুদ্ৰিক ঘূৰ্ণি ৰেমলৰ তাণ্ডৱ পৰিলক্ষিত হৈছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **মিজোৰামত ভূমি স্খলনত ২১ গৰাকী লোকৰ মৃত্যু** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

লিডুত কয়লা ব্যৱসায়ী ৰণ লুংচাঙৰ কয়লাখনিত মৃত্যু হৈছিল তিনিগৰাকীকৈ শ্ৰমিকৰ। এই বাতৰিটো আমাৰ অসম কাকতে লিডুত কয়লা মাফিয়াৰ ঘৰৰ পৰা ৩ কোটি টকা জব্দ শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লিডুৰ কুখ্যাত কয়লা ব্যৱসায়ী ৰণ লুংচাঙৰ ঘৰৰ পৰা ২ দশমিক ৯-৯ কোটি টকা জব্দ শীৰ্ষক শিৰোনামেৰে একেটা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ধুমুহা-বৰষুণৰ বাবে আজি ৰাজ্যৰ ৯খন জিলাৰ শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ প্ৰদান কৰিছে জিলা প্ৰশাসনে। ৰেড এলাৰ্ট জাৰি থকা ৯খন জিলাত চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে আজি ৯ জিলাৰ শিক্ষানুষ্ঠান বন্ধ ঘোষণা, স্থগিত পৰীক্ষা শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যত মুষলধাৰ বৰষুণত খুলি দিয়া হ'ল তিনিটাকৈ নদীবান্ধৰ পানী শীৰ্ষক শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**